# ভাৰতবৰ্ষৰ সংস্কৃতিৰ ক্ষেত্ৰলৈ মা ে গলসকলৰ অৱদান

## TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। চমু উত্তৰ দিয়া —**

( ক ) চম্বলৰ জুমা মছজিদ কোনে নিৰ্মাণ কৰাইছিল ?

**উত্তৰঃ** বাবৰে ।

( খ ) দিন পানাহৰ নিৰ্মাণকাৰ্য কোনজনা সম্ৰাটে কৰাইছিল ?

**উত্তৰঃ** হুমায়ুনে ।

( গ ) ফতেহপুৰ চিক্ৰীৰ নিৰ্মাণৰ আঁচনি কোনজন সম্ৰাটে কৰিছিল ?

**উত্তৰঃ** আকবৰে ।

( ঘ ) ময়ূৰ সিংহাসন তৈয়াৰ কৰা কাৰিকৰজনৰ নাম কি ?

**উত্তৰঃ** বেবদল খাঁ ।

( ঙ ) তাজমহল কোন নদীৰ পাৰত অৱস্থিত ?

**উত্তৰঃ** যমুনা নদীৰ পাৰত অৱস্থিত ।

( চ ) লালকিল্লা কোনে সজাইছিল ?

**উত্তৰঃ** ছাহজাহানে ।

**প্ৰশ্ন ২। খালী ঠাই পূৰ কৰা—**

( ক ) পানিপথৰ ____আৰু _____ বাবৰৰ স্থাপত্য প্ৰেমৰ নিদৰ্শন ।

**উত্তৰঃ** পানিপথৰ কাবুলবাগ আৰু চম্বলৰ জুমা মছজিদ বাবৰৰ স্থাপত্য প্ৰেমৰ নিদৰ্শন ।

( খ ) ____ পাৰ্ছীয়ান আৰ্হিৰ কেইবাটাও অট্টালিকা নিৰ্মাণ কৰাোৱাইছিল ।

**উত্তৰঃ** হুমায়ুনে পাৰ্ছীয়ান আৰ্হিৰ কেইবাটাও অট্টালিকা নিৰ্মাণ কৰাোৱাইছিল ।

( গ ) আফগান নেতা ___ ভাৰতীয় স্থাপত্য – ভাষ্কৰ্যলৈ অভূতপূৰ্ব বৰঙণি আগবঢ়াইছিল ।

**উত্তৰঃ** আফগান নেতা শ্বেশ্বাহেও ভাৰতীয় স্থাপত্য ভাস্কৰ্যলৈ অভূতপূৰ্ব বৰঙণি আগবঢ়াইছিল ।

( ঘ ) ___ এজন ভাল চিত্ৰকৰ আৰু চিত্ৰ সমালাোচক আছিল ।

**উত্তৰঃ** জাহাংগীৰ এজন ভাল চিত্ৰকৰ আৰু চিত্ৰ সমালাোচক আছিল ।

( ঙ ) ____ ভাৰতীয় শিল্পকলাৰ এক অবিচ্ছেদ্য অংগ ।

**উত্তৰঃ** সংগীত ভাৰতীয় শিল্পকলাৰ এক অবিচ্ছেদ্য অংগ ।

( চ ) ভাৰতবৰ্ষ এখন _____ দেশ ।

**উত্তৰঃ** ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ দেশ ।

**প্ৰশ্ন ৩। উত্তৰ দিয়া – ( ৫০ টা মান শব্দৰ ভিতৰত )**

**( ক ) আকবৰৰ সময়ৰ স্থাপত্য কলা ।**

**উত্তৰঃ** বহুমুখী প্ৰতিভাৰ অধিকাৰী আকবৰে স্থাপত্য কলাৰ দিশত বহুখিনি অৱদান আগবঢ়াই গৈছে । উদাৰ দৃষ্টিভংগীৰ আকৰ ইচলাম ধৰ্মাৱলম্বীহ’লেও তেওঁ হিন্দু আৰু আন ধৰ্ম সংস্কৃতিকো সমদৃষ্টিৰে চাইছিল । তেওঁৰ সময়ৰ স্থাপত্য কৃতিবাোৰত হিন্দু আৰু আন স্থানীয় শৈলীৰ প্ৰভাৱ দেখা যায় । তেওঁৰ পৃষ্ঠপাোষকতাত নিৰ্মিত স্থাপত্যসমূহত পাৰ্চী , জৈন , বৌদ্ধ আৰু হিন্দু শিল্পৰ স্পষ্ট প্ৰভাৱ দেখা যায় ।ফাতেহপুৰ চিক্ৰী , লাহাোৰ আৰু আগ্ৰা দুৰ্গকে ধৰি ভালেমান অট্টালিকাৰ আঁচনি আকবৰে নিজেই তৈয়াৰ কৰিছিল । বিশেষকৈ ফটেহপুৰ চিক্ৰীত সকলাো সংস্কৃতিৰ এক অপূৰ্ব সমন্বয় পৰিলক্ষিত হয় ।

উত্তৰ প্ৰদেশৰ আগ্ৰাৰ ওচৰৰ ছিকান্দ্ৰাত অৱস্থিত আকবৰৰ সমাধি নামেৰে বিখ্যাত স্মৃতিসৌধটোৰ কাম আকবৰেই আৰম্ভ কৰিছিল আৰু তেওঁ বহুখিনি কাম সম্পূৰ্ণও কৰিছিল । ১৬০৫ চনত তেওঁৰ মৃত্যু হােৱাত তেওঁক ইয়াতে সমাধিস্থ কৰা হয় আৰু পুত্ৰ জাহাংগীৰে সমাধিসৌধৰ বাকীখিনি কাম সম্পূৰ্ণ কৰে ।

**( খ ) মােগল যুগৰ স্থাপত্য কলালৈ ছাহজাহানৰ বৰঙণি ।**

**উত্তৰঃ** মােগল যুগৰ স্থাপত্য কলালৈ ছাহজাহানে অতুলনীয় বৰঙণি আগবঢ়াইছিল । স্থাপত্যবিদসকলে তেওঁক ' স্থাপত্য শিল্পৰ ৰাজপুত্ৰ ' বুলি অভিহিত কৰিছে । উল্লেখযােগ্য যে তেওঁৰ ৰাজত্বৰ আগৰ মােগল স্থাপত্যতকৈ তেওঁৰ দিনত নিৰ্মিত স্থাপত্য পাৰ্থক্য দেখা যায় । ছাহজাহানৰ পৃষ্ঠপােষকতাত নিৰ্মিত স্থাপত্য পাৰ্থক্য দেখা যায় । ছাহজাহান পৃষ্ঠপােষকতাত নিৰ্মিত স্থাপত্যসমূহত নান্দনিক সৌন্দৰ্যৰ ওপৰত অধিক জোৰ দিয়া হৈছিল । অট্টালিকাসমূহত কুতকটা কাৰুকাৰ্য ফুটাই তুলিবলৈ সােণ , ৰূপ , বগা মাৰ্বল পাথৰ , মণি – মুকুতা আদি ব্যৱহাৰ কৰা হৈছিল । আগ্ৰাৰ যমুনা নদীৰ পাৰত সজা — তাজমহল ছাহজাহান শিল্প প্ৰীতিৰ শ্ৰেষ্ঠ নিদৰ্শন । তাজমহলৰ উপৰি তেওঁ দিল্লীৰ লালকিল্লা , মুছাম্মান বুৰ্জ ( আগ্ৰা ফৰ্ট ) , মতি মছজিদ , আউলিয়াৰ সৌধ , জামা মছজিদ আদি নিৰ্মাণ কৰাােৱাইছিল । ' ছাহজাহানবাদ ' নামেৰে এখন নগৰীও তেওঁ নিৰ্মাণ কৰাইছিল । এনেবােৰ কামৰ মাজেৰে ছাহজাহানে মােগল যুগৰ স্থাপত্য কলালৈ অতুলনীয় বৰঙণি আগবঢ়াইছিল ।

**( গ ) মােগল চিত্ৰকলা ।**

**উত্তৰঃ** মােগল চিত্ৰকলাই ভাৰতীয় সংস্কৃতিক অন্য এক মাত্ৰা দিছিল । মােগল চিত্ৰশৈলীত পাৰ্চীয়ান আৰু ইউৰােপীয় শৈলীৰ সমন্বয় ঘটি এক নতুন আৰু সুকীয়া দৃষ্টিনন্দন শৈলীৰ জন্ম হৈছিল । মােগল শাসকল সদায়েই প্ৰকৃতিপ্ৰেমী আছিল । বাবৰে তেওঁৰ দিনত চিত্ৰকৰসকলক প্ৰকৃতিক ভিত্তি কৰি চিত্ৰ অংকনত গুৰুত্ব দিবলৈ পৰামৰ্শ দিছিল । চিত্ৰপ্ৰেমী হুমায়ুনে পাৰস্যৰ দুজন শিল্পী মতাই আমি প্ৰকৃতি বিষয়ক কেইবাখনাে মূল্যৱান চিত্ৰ অংকন কৰাােৱাইছিল ।

মােগল চিত্ৰকলাৰ চৰম উৎকৰ্ষ সাধন হৈছিল সম্ৰাট জাহাংগীৰৰ , শাসনকালত । তেওঁ নিজে এজন ভাল চিত্ৰকৰ আৰু চিত্ৰ সমালােচক আছিল । এওঁৰ দিনত ক্ষুদ্ৰ চিত্ৰশিল্প ( miniature painting ) ই বিশেষ সমাদৰ লাভ কৰিছিল । জাহাংগীৰে চিত্ৰকলাসমূহত কল্পনাৰ পৰিৱৰ্তে বাস্তৱক ফুটাই তুলিবলৈ চিত্ৰকসকলক দিহা – পৰামৰ্শ দিছিল । উল্লেখযােগ্য যে মােগল চিত্ৰকলাত অভিজাত শ্ৰেণীটোকেত গুৰুত্ব দিয়া হৈছিল , সাধাৰণ শ্ৰেণীৰ জীৱন তাত প্ৰতিফলিত হােৱা নাছিল।

**( ঘ ) মাোগল যুগৰ সংগীত ।**

**উত্তৰঃ** মাোগল যুগত সংগীতৰ স্থান অতি উচ্চ আছিল । বাবৰ , হুমায়ুনৰ দিনৰ পৰাই মধ্য যুগৰ সংগীতে ৰাজপৃষ্ঠপাোষকতা লাভ কৰিছিল । সম্রাট আকবৰৰ ৰাজসভা কেইবাজনাে সংগীতজ্ঞই শুৱনি কৰিছিল । এওঁলাোকৰ ভিতৰত অতিকে প্ৰখ্যাত আছিল তানসেন । ছাহজাহানৰ ৰাজত্বকালত জগন নাথ আৰু জনাৰ্দন ভট্ট নামৰ দুজন নামজ্বলা গায়ক আছিল । হিন্দু ' ধ্ৰুপদ ৰাগ ' ছাহ জাহান প্ৰিয় আছিল আৰু এই ৰাগ পৰিবেশন কৰিছিল তানসেনৰ জোঁৱায়েক লালখানে । সুৰসেন সেই সময়ৰ প্ৰখ্যাত বীণাবাদক আছিল ।

**( ঙ ) মাোগল সাহিত্যই কিদৰে ভাৰতীয় সাহিত্যক চহকী কৰিছে ।**

**উত্তৰঃ** মাোগল সাহিত্যই ভাৰতীয় সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। বাবৰ , হুমায়ুন , জাহাংগীৰ আৰু আন বহুতাে ৰাজকুমাৰ আৰু ৰাজকুমাৰীয়ে তেওঁলাোকৰ ৰচনাৰে মাোগল সাহিত্যক সাোণত সুৱগা চৰা কৰিছিল । আকবৰৰ দিনত পাৰ্চীয়ান সাহিত্যই নৱজাগৰণৰ সূচনা কৰিছিল অনুবাদ সাহিত্যই সাহিত্য ভাণ্ডাৰ টনকিয়াল কৰিছিল । ' মহাভাৰত ' , ' ৰামায়ণ ' , ' অথৰ্ববেদ ' আদি গ্ৰন্থ মুছলমান লেখকে অনুবাদ কৰিছিল । ' বাবৰ নামা ' , ' আকবৰ নামা ' , ' আইন – ই – আকবৰী ' , হুমায়ুন নামা ' আদি পুথিসমূহ মাোগল সাহিত্যৰ আপুৰুগীয়া সম্পদ । মুছলমান সাহিত্যিকে পাছী ভাষাৰ উপৰি হিন্দী ভাষাতাে পুথি ৰচনা কৰিছিল। ' ৰামচৰিত মানস ' , ' পদ্মাৱত ' , সুৰসাগৰ আদি পুথি হিন্দী ভাষাত লিখিছিল । এনেকুৱা ধৰণে মাোগল সাহিত্যই ভাৰতীয় সাহিত্যক যথেষ্ট চহকী কৰিছে ।